**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-1-2025 **Time :** 0755Hrs.

## *Assamese Morning Bulletin*

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট আৰু টীয়ক বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰিব। ইয়াৰে গোলাঘাট বিধানসভা সমষ্টিৰ কাৰ্যসূচীত ড০ শৰ্মাই বিভিন্ন আত্মসহায়ক গোটৰ ৩৬ হাজাৰ ৮৭৩ গৰাকী মহিলাক মুখ্যমন্ত্ৰীৰ উদ্যমিতা পুঁজিৰ এই ধনৰাশি আগবঢ়াব। মুখ্যমন্ত্ৰীয়ে লগতে ৩১৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত মুকলি প্ৰেক্ষাগৃহ, ৭ কোটি টকা ব্যয় সাপেক্ষ বালিজান উচ্চতৰ মাধমিক বিদ্যালয়ৰ নতুন ভৱন আৰু ৪ কোটি টকা ব্যয়ৰে নিৰ্মিত চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰিব। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণতে ১০৪ কোটি টকা ব্যয় সাপেক্ষ গোলাঘাট-মেৰাপানী পথ আৰু ১০৬ কোটি টকা ব্যয় সাপেক্ষ পদুমণি-ৰঙাজান পথো মুকলি কৰিব। তেওঁ সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আৰু চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়ো উদ্বোধন কৰিব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি শিৱসাগৰৰ ডিমৌ আৰু লখিমপুৰৰ ৰঙানদী সমষ্টিত দুখন জনসভাত অংশ লৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰথম পৰ্যায়ৰ ১০ হাজাৰ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। দুয়োটা সমষ্টিৰ মুঠ ৫৭ হাজাৰ ৪৬ গৰাকী হিতাধিকাৰীক আঁচনিখনৰ প্ৰাৰম্ভিক পুঁজি বিতৰণৰ অন্তত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়–

–বাইট–

০০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱতাবাদী আদৰ্শই **এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ** ধাৰণাক শক্তিশালী কৰিছে আৰু তেখেতৰ শিক্ষা আজিও সমগ্ৰ দেশৰ বাবে প্ৰেৰণাৰ উৎস। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে সংসদৰ যুটীয়া অধিবেশন সম্বোধন কৰি কালি এই মন্তব্য কৰে। ভাষণত শ্ৰীমতী মুৰ্মুৱে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ আৰু সাংস্কৃতিক ঐতিহ্যক বিশেষ মৰ্যাদা দিয়াৰ লগতে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা আৰু জাগীৰোডৰ ছেমিকণ্ডাকণ্টৰ বিষয়ে উল্লেখ কৰে। ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ বিষয়ে উনুকিয়াই তেওঁ কয় যে, তেখেতৰ কালজয়ী গীতসমূহে দেশবাসীক একতাৰ সুৰেৰে বান্ধি ৰাখিছে। প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতিৰ বিষয়ে উল্লেখ কৰি অসমৰ জাগীৰোডত স্থাপন কৰা ছেমিকণ্ডাকণ্টৰ উদ্যোগে ৰাজ্যখনক বিশ্বৰ বৈদ্যুতিন সামগ্ৰীৰ আয়ুষ ৰেখা ৰূপে গঢ়ি তুলিব বুলি মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নীত যাতায়ত আৰু যোগাযোগ ব্যৱস্থা সন্দৰ্ভতো ভাষণত আলোকপাত কৰে। বিশেষকৈ অসম আৰু পশ্চিমবংগৰ মাজত নতুনকৈ আৰম্ভ হোৱা **বন্দে ভাৰত শ্লিপাৰ** ট্ৰেইন সেৱাই উত্তৰ পূৰ্বাঞ্চলৰ যাত্ৰীসকলৰ বাবে আধুনিক তথা আৰামদায়ক যাত্ৰাৰ সূচনা কৰা বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে বিগত ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলত ৭ হাজাৰ ২০০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে বুলি

প্ৰকাশ কৰে। তেওঁ কয় যে  ইয়াৰ ফলত দূৰণিবটীয়া দুৰ্গম এলেকা, পাৰ্বত্য এলেকা, জনজাতি বসতিপ্ৰধান অঞ্চল আৰু সীমান্ত এলেকাসমূহৰ সৈতে যোগাযোগ সুচল হৈছে।

শিৱসাগৰত স্থাপন হ'বলগীয়া নতুন চিকিৎসা মহাবিদ্যালয়, অৰুণাচল প্ৰদেশৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, ত্ৰিপুৰাৰ আগৰতলাৰ মাতৃ আৰু শিশুৰ বিশেষ চিকিৎসালয় আদিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ চিকিৎসা খণ্ডলৈ অভূতপূৰ্ব পৰিৱৰ্তন অনা বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত তেওঁ ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।  কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে। খনিকৰ পেৰেড গ্ৰাউণ্ডত কাইলৈ দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণী, স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী ডিব্ৰুগড় ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী বিমল বৰাই কালি এখন প্ৰস্তুতিমূলক বৈঠকত অংশ লয়। মন্ত্ৰীগৰাকীয়ে বিধায়ক চক্ৰধৰ গগৈ, অসম গেছ কোম্পানীৰ উপ-সভাপতি ইন্দ্ৰ গগৈকে ধৰি মাহমৰা সমষ্টিৰ বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতে আলোচনাত মিলিত হৈ এই অনুষ্ঠান সফল কৰি তোলাৰ বাবে সকলোৰে সহযোগিতাৰ কামনা কৰে।

শ্ৰীশ্বাহে কাইলৈ বিয়লি ধেমাজীত মিছিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ ভাগলৈ তেওঁ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব।

০০০০০০০০০

সমাপ্ত